# NSD NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 17-04-2025
**Time:** 13-40 Hrs

***Assamese Midday Bulletin***
***Headlines***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভূতপূৰ্ব প্ৰধানমন্ত্ৰী চন্দ্ৰশেখৰৰ জন্মবাৰ্ষিকী উপলক্ষে আজি প্ৰয়াত নেতাগৰাকীলৈ শ্ৰদ্ধাঞ্জলি নিবেদন কৰিছে।

২। নক্সালবাদক উৎখাত কৰাৰ ক্ষেত্ৰত চি আৰ পি এফৰ জোৱানসকলে সবাতোকৈ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে মত প্ৰকাশ কৰিছে।

৩। উচ্চতম ন্যায়ালয়ে ৱক্‌ফ সংশোধনী আইনৰ সাংবিধানিক বৈধতাৰ প্ৰশ্ন তুলি দাখিল কৰা কেইবাখনো আবেদন সন্দৰ্ভত  আজিৰে পৰা প্ৰতি দিনে শুনানি গ্ৰহণ কৰিব।

৪। বিগত বিত্তীয় বৰ্ষত ভাৰতৰ পৰা স্মাৰ্ট ফোন ৰপ্তানিৰ পৰিমাণে ২ লাখ টকা অতিক্ৰম কৰি অভিলেখ সৃষ্টি কৰিছে। *আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদ মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভূতপূৰ্ব প্ৰধানমন্ত্ৰী চন্দ্ৰশেখৰৰ জন্মবাৰ্ষিকী উপলক্ষে আজি প্ৰয়াত নেতাগৰাকীলৈ শ্ৰদ্ধাঞ্জলি নিবেদন কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত শ্ৰীমোদীয়ে কয় যে চন্দ্ৰশেখৰে তেওঁৰ ৰাজনৈতিক দৃষ্টিভংগীৰ ক্ষেত্ৰত ৰাষ্ট্ৰৰ স্বাৰ্থক সদায় অগ্ৰাধিকাৰ প্ৰদান কৰিছিল। সামাজিক সংহতি আৰু ৰাষ্ট্ৰ গঠনৰ হকে তেওঁ গ্ৰহণ কৰা প্ৰচেষ্টাসমূহ চিৰস্মৰণীয় হৈ ৰ'ব বুলিও প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে মত প্ৰকাশ কৰে।

০০০০

২০২৬ চনৰ ৩১ মাৰ্চৰ ভিতৰত নক্সালবাদক দেশৰ পৰা পুলিয়ে পোখাই উৎখাত কৰা হ'ব আৰু এই ক্ষেত্ৰত কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী-চি আৰ পি এফৰ জোৱানসকলে সবাতোকৈ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে মত প্ৰকাশ কৰিছে। চি আৰ পি এফৰ ৮৬ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে মধ্য

প্ৰদেশৰ নীমুচত আয়োজিত এটা অনুষ্ঠানত ভাষণ দি মন্ত্ৰীগৰাকীয়ে আজি এইদৰে প্ৰকাশ কৰে। কোব্ৰা বেটেলিয়নৰ সৈনিকে দেশক নক্সালমুক্ত কৰাৰ দিশত অভূতপূৰ্ব কাম কৰিছে বুলি উল্লেখ কৰি তেওঁ কয়, যে জোৱানসকলৰ অদম্য সাহসৰ বলতে দেশক নক্সালবাদৰ পৰা সম্পূৰ্ণৰূপে মুক্ত কৰাৰ প্ৰতিশ্ৰুতি পূৰণ হ'ব। দেশৰ অমৰ শ্বহিদসকলৰ বলিদানৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি  শ্ৰীশ্বাহে কয় যে দেশৰ ইতিহাসত সুৰক্ষা বাহিনীৰ শ্বহিদসকলৰ বীৰগাঁথা সোণালী আখৰেৰে লিপিবদ্ধ হৈ ৰ'ব।

চি আৰ পি এফৰ  শ্বহিদসকলৰ পৰিয়ালসমূহক প্ৰশংসা কৰি তেওঁ কয়, যে দেশৰ সমৃদ্ধি আৰু সুদৃঢ়কৰণৰ ক্ষেত্ৰত জোৱানসকলৰ পৰিয়ালৰ অৱদান সচাঁকৈ অতুলনীয়। শ্ৰীশ্বাহে কয়, যে কু-অভিপ্ৰায়েৰে কাশ্মীৰ উপত্যকাত অশান্তি সৃষ্টি কৰা সন্ত্ৰাসবাদীসকলৰ বিৰুদ্ধে যুঁজ দিয়াৰ ক্ষেত্ৰতেই হওক বা উত্তৰ পূৰ্বাঞ্চলত শান্তি প্ৰতিষ্ঠাৰ ক্ষেত্ৰতেই হওক, চি আৰ পি এফৰ জোৱানসকলে সকলো অভিযানত অনবদ্য অৱদান আগবঢ়াই আহিছে। বৰ্তমানলৈ ২ হেজাৰ ২৬৪ গৰাকী জোৱানে দেশ ৰক্ষাৰ নামত জীৱন বলিদান দিছে  বুলি গৃহমন্ত্ৰীগৰাকীয়ে  উল্লেখ কৰে। সাহসী জোৱানসকলৰ পৰিয়ালৰ কল্যানৰ বাবে চৰকাৰে  গ্ৰহণ কৰা প্ৰচেষ্টাৰ বিষয়ে উল্লেখ কৰি শ্ৰীশ্বাহে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বৰ্তমানৰ চৰকাৰে চি আৰ পি এফৰ হিতৰ বাবে ভালেমান গুৰুত্বপূৰ্ণ পদক্ষেপ লৈছে। তেওঁ কয়, যে চৰকাৰে সাহসী জোৱানসকলৰ উন্নয়নৰ লগতে তেওঁলোকৰ সন্মানাৰ্থে কাম কৰি আহিছে। চৰকাৰে জোৱানসকলৰ পৰিয়ালবৰ্গলৈ ভালেমান সুবিধা আগবঢ়াইছে বুলি তেওঁ উল্লেখ কৰে। আজিৰ অনুষ্ঠানত শ্ৰীশ্বাহে কেইবাগৰাকীও জোৱানক সাহসিকতাৰ বঁটা প্ৰদান কৰে। শ্বহিদস্থলত তেওঁ শ্বহিদসকললৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে আৰু কুচকাৱাজৰ অভিবাদন গ্ৰহণ কৰে। মধ্য প্ৰদেশৰ মুখ্যমন্ত্ৰী ড০ মোহন যাদৱ আৰু চি আৰ পি এফৰ সঞ্চালক প্ৰধান জ্ঞানেন্দ্ৰ প্ৰতাপ সিঙেও অনুষ্ঠানত অংশগ্ৰহণ কৰে।

০০০০

কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কয়, যে দেশৰ প্ৰতিৰক্ষা খণ্ডক সম্প্ৰতি স্বনিৰ্ভৰশীলতাৰ পথত দৃঢ়তাৰে আগবাঢ়ি যোৱাৰ সমান্তৰালভাৱে বিশ্বৰ প্ৰেক্ষাপটত প্ৰতিৰক্ষা সামগ্ৰী ৰপ্তানীৰ সম্ভাৱনাৰ ক্ষেত্ৰত ক্ৰমাৎ শক্তিশালী হৈ উঠিছে। নতুন দিল্লীত আজি আয়োজিত **প্ৰতিৰক্ষা অভিৱৰ্তন- ভৱিষ্যতৰ কৰ্মশক্তি**ৰ উদ্বোধনী অনুষ্ঠানত ভাষণ দি তেওঁ কয় যে সম্প্ৰতি প্ৰতিৰক্ষা ক্ষেত্ৰত সামৰ্থ্য বৃদ্ধি কৰাটোক চৰকাৰে প্ৰাথমিক লক্ষ্য হিচাপে গ্ৰহণ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ চৰকাৰে সশস্ত্ৰ বাহিনীসমূহৰ আধুনীকিকৰণৰ লগতে প্ৰতিৰক্ষা খণ্ডক স্বনিৰ্ভৰশীল কৰি তোলাত গুৰুত্ব আৰোপ কৰিছে বুলিও তেওঁ লগতে প্ৰকাশ কৰে। শ্ৰীসিঙে কয় যে প্ৰতিৰক্ষা খণ্ডত স্বনিৰ্ভৰশীলতাৰ অধিক প্ৰসাৰ সাধনৰ উদ্দেশ্যে প্ৰতিৰক্ষা মন্ত্ৰালয়ে ২০২৫ বৰ্ষটোক সংস্কাৰৰ বৰ্ষ হিচাপে ঘোষণা কৰিছে।

০০০০

মালয়েছিয়াৰ কাৱালালামপুৰত কাইলৈৰ পৰা হ'বলগীয়া মালয়েছিয়ান টুৰ এণ্ড ট্ৰেভেল এজেণ্ট সংস্থাৰ মেলাত বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাৰ নেতৃত্বত এটা ভাৰতৰ এটা প্ৰতিনিধি দলে অংশগ্ৰহণ কৰিব। এই অনুষ্ঠানত দেশৰ উত্তৰ পূৰ্বাঞ্চলত বিশেষ গুৰুত্ব সহকাৰে লৈ ভাৰতে নিজৰ পৰ্যটন ক্ষেত্ৰৰ সম্ভাৱনাক তুলি ধৰাৰ প্ৰয়াস কৰিব। ভাৰত আছিয়ান পৰ্যটন পেছাদাৰী বিনিময় কাৰ্যসূচী ২০২৫ ৰ অংশ হিচাপে শ্ৰীমাৰ্ঘেৰিটাই এই কাৰ্যসূচীত অংশ ল'ব। দুদিনীয়া এই ভ্ৰমণকালত মন্ত্ৰীগৰাকীয়ে কেইবাগৰাকীও আগশাৰীৰ ব্যৱসায়িক নেতা

আৰু প্ৰৱাসী ভাৰতীয়ৰ সৈতে মত বিনিময় কৰিব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে যোৱা বছৰ অনুষ্ঠিত একবিংশ ভাৰত-আছিয়ান শীৰ্ষ সন্মিলনত এই বছৰৰ ভাৰত-আছিয়ান পৰ্যটন বৰ্ষ পালনৰ পৰিকল্পনা কৰা হৈছিল।

০০০০

উচ্চতম ন্যায়ালয়ে ৱক্‌ফ সংশোধনী আইনৰ সাংবিধানিক বৈধতাৰ প্ৰশ্ন তুলি দাখিল কৰা কেইবাখনো আবেদন সন্দৰ্ভত  আজিৰে পৰা প্ৰতি দিনে শুনানি গ্ৰহণ কৰিব। মুখ্য ন্যায়াধীশ সঞ্জীৱ খান্না, ন্যায়াধীশ সঞ্জয় কুমাৰ আৰু ন্যায়াধীশ কে ভি বিশ্বনাথনক লৈ গঠিত এখন বিচাৰপীঠে কালি দিনৰ ২ বজাত গোচৰটোৰ শুনানি আৰম্ভ কৰে আৰু কেন্দ্ৰীয় চৰকাৰৰ হৈ ছলিচিটৰ জেনেৰেল তুষাৰ মেহতাই ৱক্‌ফ সংশোধনী আইনৰ সপক্ষে আগবঢ়োৱা যুক্তি শুনে। ছলিচিটৰ জেনেৰেলগৰাকীয়ে এই ক্ষেত্ৰত ন্যায়ালয়ে কোনো অন্তৰৰ্তীকালীন আদেশ জাৰি কৰাৰ বিৰোধিতা কৰে আৰু ইয়াৰ পাছত ন্যায়ালয়ে কেন্দ্ৰীয় চৰকাৰক নিজৰ শপতনামা দুসপ্তাহৰ ভিতৰত দাখিল কৰাৰ বাবে জাননী জাৰি কৰে। শুনানিৰ সময়ত আদালতে দেশৰ বিভিন্ন অংশত ৱক্‌ফ আইনক লৈ সৃষ্টি হোৱা হিংসাত্মক প্ৰতিবাদ সন্দৰ্ভত উদ্বেগ প্ৰকাশ কৰে আৰু এই পৰিস্থিতি শীঘ্ৰেই নিয়ন্ত্ৰণ কৰাৰ ব্যৱস্থা ল'বলৈ চৰকাৰক নিৰ্দেশ দিয়ে।

০০০০

বিগত বিত্তীয় বৰ্ষত ভাৰতৰ পৰা স্মাৰ্ট ফোন ৰপ্তানিৰ পৰিমাণে ২ লাখ টকা অতিক্ৰম কৰি অভিলেখ সৃষ্টি কৰিছে। বৈদ্যুতিন আৰু তথ্য প্ৰযুক্তি দপ্তৰৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে এইকথা প্ৰকাশ কৰি কয়, যে বিগত বছৰটোৰ প্ৰথম দহটা মাহত ভাৰতৰ পৰা ৰপ্তানি কৰা সামগ্ৰীৰ ভিতৰত স্মাৰ্ট ফোনে বৃহত্তম অংশ অধিকাৰ কৰে। সামাজিক মাধ্যমযোগে প্ৰকাশ কৰা এটা বাৰ্তাত তেওঁ জানিবলৈ দিয়া মতে ভাৰতৰ পৰা ৰপ্তানি হোৱা সামগ্ৰীৰ তালিকাত ২০১৩-১৪ চনত স্মাৰ্ট ফোন ১৬৭ সংখ্যক স্থানত থকাৰ বিপৰীতে সম্প্ৰতি এইবিধ সামগ্ৰী প্ৰথম স্থানত উপনীত হৈছে। এই খণ্ডটোত বিশেষকৈ মহিলাসকলৰ বাবে কেইবালাখো নতুন কৰ্মসংস্থাপন সৃষ্টি হৈছে বুলিও মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০

মণিপুৰত চৰকাৰৰ অনুমতি অবিহনে ৰঙীন আইনা ব্যৱহাৰ কৰা চাৰিচকীয়া গাড়ীসমূহৰ বিৰুদ্ধে ৰাজ্যখনৰ চৰকাৰে অভিযান তীব্ৰতৰ কৰি তুলিছে। ইম্ফল পূব আৰু পশ্চিম জিলাৰ দণ্ডাধীশে এই সন্দৰ্ভত জাৰি কৰা এখন জাননীত চৰকাৰৰ বিনা অনুমতিত ৰঙীন আইনা ব্যৱহাৰ কৰা গাড়ীৰ গৰাকীসকলক এসপ্তাহৰ ভিতৰত ৰঙৰ প্ৰলেপ আঁতৰোৱাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাই কয়, যে ইয়াৰ অন্যথা তেওঁলোকৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব। নিৰ্ধাৰিত সময় উকলি যোৱাৰ পাছত এই নিৰ্দেশ অমান্য কৰা গাড়ীসমূহৰ গৰাকীসকলৰ বিৰুদ্ধে অধিক কঠোৰ কাৰ্যব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও নিৰ্দেশটোত কোৱা হৈছে।

০০০০

বিধি বলৱৎকাৰী সঞ্চালকালয়ে হাৰিয়ানাত ভূমি ক্ৰয়ৰ সৈতে জড়িত কলা ধন বৈধকৰণৰ গোচৰৰ তদন্তৰ সংক্ৰান্তত আজি একেৰাহে তৃতীয় দিনৰ বাবে ৰবাৰ্ট ভাদ্ৰাক জেৰা কৰিছে। শ্ৰীভাদ্ৰাক  নতুন দিল্লীস্থিত বিধি বলৱৎকাৰী সঞ্চালকালয়ত জেৰা কৰি থকা হৈছে। গোচৰটো, শ্ৰীভাদ্ৰাৰ কোম্পানীয়ে গুৰুগ্ৰামত ভূমি ক্ৰয় কৰাৰ সৈতে জড়িত।

০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ উপ ৰাষ্ট্ৰপতি জে ডি ভান্স ২১ এপ্ৰিলত চাৰিদিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ আহিব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ে এটা বিবৃতিত কয়, যে উপ ৰাষ্ট্ৰপতি ভান্সৰ এয়া প্ৰথম ভাৰত ভ্ৰমণ হ'ব। এই ভ্ৰমণত তেওঁ অহা সোমবাৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰিব। উপ ৰাষ্ট্ৰপতিগৰাকী আৰু তেওঁৰ প্ৰতিনিধি দলে দিল্লীত আন বিভিন্ন কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ লগতে জয়পুৰ আৰু আগ্ৰাও ভ্ৰমণ কৰিব। এই ভ্ৰমণে দ্বিপাক্ষিক সহযোগিতাৰ অগ্ৰগতি আৰু প্ৰধানমন্ত্ৰী মোদীয়ে যোৱা ১৩ ফেব্ৰুৱাৰীত আমেৰিকা ভ্ৰমণৰ সময়ত জাৰি কৰা ভাৰত-আমেৰিকা যৌথ বিবৃতিৰ ফলাফলসমূহৰ ৰূপায়ণৰ ওপৰত দুয়ো পক্ষকে পৰ্যালোচনাৰ সুযোগ প্ৰদান কৰিব। দুয়োপক্ষই পাৰস্পৰিক স্বাৰ্থজড়িত আঞ্চলিক আৰু আন্তৰাষ্ট্ৰীয় বিষয়সমূহৰ সন্দৰ্ভতো আলোচনা কৰিব।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদ মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত যোৱা নিশা দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত এখন ৰোমাঞ্চকৰ খেলত ডেলহী কেপিটেলছে ৰাজস্থান ৰয়েলছক ছুপাৰ অভাৰত পৰাস্ত কৰে। ডেলহি কেপিটলছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি অভিষেক পোৰেলৰ ৪৯ আৰু কে এল ৰাহুলৰ ৩৮ ৰানৰ সহায়ত নিৰ্ধাৰিত ২০ অভাৰত ৫টা উইকেট হেৰুৱাই ১৮৮ ৰান কৰে। প্ৰত্যুত্তৰত ৰাজস্থানেও নিৰ্ধাৰিত ২০ অভাৰত ৪টা উইকেট হেৰুৱাই ১৮৮ ৰান সংগ্ৰহ কৰে। দুয়োটা দলৰ স্ক'ৰ সমান হোৱাত ছুপাৰ অভাৰৰ সহায় ল'বলগীয়া হয়। ছুপাৰ অভাৰত ৰাজস্থান ৰয়েলছে ১১ ৰান কৰে। ডেলহি কেপিটেলছে দুটা বল খেলিবলৈ বাকী থকা অৱস্থাত নিৰ্ধাৰিত লক্ষ্য অতিক্ৰম কৰে।

০০০০

উত্তৰ প্ৰদেশৰ আকবৰপুৰত ৪৭ সংখ্যক ৰাষ্ট্ৰীয় জুনিয়ৰ হেণ্ডবল প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ২০ৰ পৰা ২৪ এপ্ৰিললৈ অনুষ্ঠিত হ'বলগীয়া হেণ্ডবল প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলগীয়া অসমৰ ১৮-জনীয়া দলটো ঘোষণা কৰা হৈছে। অসমৰ দলটোৰ মুখ্য প্ৰশিক্ষকৰ দায়িত্ব ব্ৰজেন গগৈ আৰু দলটোৰ পৰিচালক হিচাপে পৱিত্ৰ জ্যোতি বৰুৱাক বাছনি কৰা হৈছে।

০০০০

সমাপ্ত